# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 17-12-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

১। ভাৰত আৰু ভূটানে পাৰস্পৰিক সহযোগিতা বৰ্তাই ৰাখি উন্নয়নৰ শিখৰত উপনীত হ'ব বুলি দেশখনৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন বিষয়ক সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক লোকসভাত উত্থাপন।

৩। ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত বহুকেইগৰাকী মন্ত্ৰীৰ অংশগ্ৰহণ।

৪। ম'হ যুঁজ আৰু বুলবুলি চৰাই যুঁজৰ অনুমতি দি ৰাজ্য চৰকাৰে পূৰ্বে জাৰি কৰা নিৰ্দেশনা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাতিল।

**আৰু**

৫। ব্ৰিছবেন টেষ্টৰ তৃতীয় টেষ্টৰ চতুৰ্থ দিনৰ সামৰণিত ভাৰতৰ প্ৰথম ইনিংছত ৯টা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰত আৰু ভূটান সভ্যতাকেন্দ্ৰিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰে বান্ধ খাই আছে। অনাগত সময়ত দুয়ো দেশে পাৰস্পৰিক সহযোগিতা বৰ্তাই ৰাখি উন্নয়নৰ শিখৰত উপনীত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ড০ শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সপত্নীক দেশখনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই উপলক্ষে ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুক আৰু ভূটানৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' শ্বেৰিং টবগেৰ সৈতে মধ্যাহ্ন ভোজন কৰে। শ্ৰীটবগেৰ সৈতে হোৱা বাৰ্তালাপত ড০ শৰ্মাই অসম আৰু ভূটান কেনেদৰে পাৰস্পৰিক বিকাশ আৰু উন্নয়নমূলক আকাংক্ষাৰ পৰিপূৰক হ'ব পাৰে সেই সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ভূটানে পাৰিপাৰ্শ্বিকতাক সকলো নীতিগত সিদ্ধান্তৰ আধাৰ হিচাপে ৰাখি উন্নয়নমূলক প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীটবগেক অহা বছৰৰ ফেব্ৰুৱাৰী মাহত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনৰ বাবে আমন্ত্ৰণ জনায়।

০০০০

এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক দুখন বিধেয়ক আজি লোকসভাত উত্থাপন কৰা হয়। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয়শাসিত অঞ্চল সংশোধনী বিধেয়ক উত্থাপন কৰাৰ সময়তে বিৰোধী দলে ভোট বিভাজনৰ দাবী জনায়। ২৬৯ গৰাকী সদস্যই বিধেয়ককেইখনৰ সপক্ষে আৰু ১৯৮ গৰাকী সদস্যই ইয়াৰ বিপৰীতে ভোটদান কৰে। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, উদ্ধৱপন্থী শিৱসেনা, চি পি এম আৰু আন বিৰোধী দলসমূহে বিধেয়ককেইখনৰ বিৰোধিতা কৰি বিধেয়ক দুখনে সংবিধানৰ মৌলিক গাঁথনিত আঘাত হনা বুলি অভিযোগ কৰে। বিৰোধী দলে ইয়াক যুটীয়া সংসদীয় সমিতিৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰিবলৈ দাবী জনায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষ ওম বিৰলাই সদনৰ মত বিভাজনৰ পোষকতা কৰে।

সাংসদ গৌৰৱ গগৈয়ে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয়শাসিত অঞ্চল সংশোধনী বিধেয়কৰ বিৰোধিতা কৰি কয়, যে এই বিধেয়ক দুখনে সংবিধানত উল্লেখিত নীতিসমূহ উলংঘা কৰিছে।

০০০০

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন অনুষ্ঠানৰ অংশ হিচাপে আজি **বৰপেটা** জিলাত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে জনসাধাৰণৰ উন্নয়ন সাধনেই হৈছে বৰ্তমানৰ চৰকাৰৰ উদ্দেশ্য। ৰাজ্যৰ জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে বিভিন্ন শিতানৰ ২৫ লাখৰো অধিক হিতাধিকাৰীক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত শ্ৰীবৰুৱাই অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান আৰু সকাহ আঁচনিৰ অধীনত ২ হাজাৰ ৪৮ গৰাকী মহিলাক ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। তেওঁ লগতে আত্মসহায়ক গোটৰ খাদ্য প্ৰসংস্কৰণৰ লগত জড়িত ১৮০ গৰাকী মহিলাক প্ৰাৰম্ভিক মূলধন প্ৰদান কৰে।

**চিৰাং** জিলাত জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কৃতি শিক্ষাৰ্থীসকলক আনন্দৰাম বৰুৱা বঁটাৰ চেক বিতৰণ কৰাৰ লগতে ৫৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটী আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ৫ হাজাৰ ৯৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

**ধুবুৰী** জিলাতো এই উপলক্ষে আয়োজিত কাৰ্যসূচীত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে মহিলাসকলৰ মাজত ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে।

**চৰাইদেউ** জিলাত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী বিমল বৰাই কয়, যে ৰাজ্য চৰকাৰে বিভিন্ন বঁটা প্ৰদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ দিশত সহায় কৰি আহিছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ নিষ্ঠা, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জৰিয়তে উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ আৰু সমাজৰ হিতৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ ৭০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক ড০ বাণীকান্ত কাকতি মেধা বঁটা, ৩৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আৰু নৱম শ্ৰেণীত অধ্যয়নৰত ৪ হাজাৰ ১১৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে।

**দৰং** জিলাৰ মঙলদৈ গান্ধী ময়দানত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা আৰু আন্যান্য বিশিষ্ট ব্যক্তিসকলে অসম মাইক্ৰ'ফাইনেন্স আৰু সকাহ আঁচনিৰ অধীনত হিতাধিকাৰীৰ মাজত ঋণমুক্তি প্ৰমাণপত্ৰ বিতৰণ কৰে।

**বঙাইগাঁও** জিলাত আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বিকাশৰ ১২ দিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দৰাম বৰুৱা বঁটা, ড০ বাণীকান্ত কাকতি মেধা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ড০ বাণীকান্ত কাকতিৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

০০০০

গোৱালপাৰা জিলাত মাতৃ আৰু শিশুৰ উন্নত চিকিৎসাৰ বাবে ১০০ খন বিছনাযুক্ত জননী শিশু চিকিৎসালয় স্থাপন কৰা হ'ব বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে ঘোষণা কৰিছে। স্বাস্থ্য বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে আজি প্ৰথমবাৰৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়খন পৰিদৰ্শন কৰে। তেওঁ চিকিৎসালয়খনৰ চিকিৎসক সকলৰ সৈতেও বিভিন্ন অভাৱ-অভিযোগ সম্পৰ্কত আলোচনা কৰে। চিকিৎসা সেৱা এক পৱিত্ৰ সেৱা বুলি উল্লেখ কৰি মন্ত্ৰী সিংহলে চিকিৎসক সকলক এই কথা অনুধাৱন কৰি সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। গোৱালপাৰা অসামৰিক চিকিৎসালয়ত শীঘ্ৰেই কৰ্কট ৰোগৰ চিকিৎসাৰ সুবিধা মুকলি কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত সদৰি কৰে।

**বাইট (অশোক সিংহল)**

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

পেটা ইণ্ডিয়াই দাখিল কৰা এখন আবেদনৰ প্ৰতি সঁহাৰি জনাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰে ম'হ যুঁজ আৰু বুলবুলি চৰাই যুঁজৰ অনুমতি দি ২০২৩ চনৰ ২৭ ডিচেম্বৰত জাৰি কৰা নিৰ্দেশাৱলী বাতিল কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি ন্যায়াধীশ দেৱাশীস বৰুৱাৰ বিচাৰপীঠত পেটা ইণ্ডিয়াৰ হৈ জ্যেষ্ঠ অধিবক্তা দিগন্ত দাসে বিতং তথ্য দাঙি ধৰি কয়, যে ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজে পশু হিংস্ৰতা প্ৰতিৰোধ আইন উলংঘা কৰিছে। বুলবুলি চৰাইৰ যুঁজে অতিৰিক্তভাৱে বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ উলংঘা কৰা বুলিও জ্যেষ্ঠ অধিবক্তাগৰাকীয়ে উল্লেখ কৰে। পেটা ইণ্ডিয়াই নিজৰ যুক্তিৰ সমৰ্থনত নিৰ্দেশাৱলীত উল্লেখ কৰা দিনৰ বাহিৰেও আন সময়তো এনে যুঁজ অনুষ্ঠিত কৰাৰ বহু উদাহৰণ দাঙি ধৰে। উল্লেখযোগ্য ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজত হোৱা নিৰ্মমতাৰ বিৰুদ্ধে সংস্থাটোৱে বিগত সময়ত তথ্য সংগ্ৰহ কৰি আহিছে।

০০০০

আৱকাৰী মন্ত্ৰী অতুল বৰাই আজি জনতা ভৱনত বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলা ভিত্তিক ৰাজহ সংগ্ৰহৰ স্থিতি পৰ্যালোচনা কৰাৰ লগতে বিভাগটোৰ বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ সবিশেষ পৰ্যালোচনা কৰা হয়। ৰাজ্যৰ ৰাজহ আহৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আৱকাৰী বিভাগৰ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক নিষ্ঠাৰে পালন কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে আৱকাৰীৰ নীতি নিয়মসমূহ কঠোৰভাৱে পালন কৰাৰ দিশতো গুৰুত্ব আৰোপ কৰে।

ইফালে কৃষি বিভাগৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰি বিভাগটোৰ অধীনত বিভিন্ন আঁচনি আৰু কাম-কাজৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বুজ লয়। তেওঁ বিষয়াসকলৰ পৰা হিতাধিকাৰী কৃষকসকলক বীজ আৰু কৃষি সা-সজুলি বিতৰণৰ সন্দৰ্ভত সবিশেষ বুজ লোৱাৰ লগতে কৃষি উৎপাদন বৃদ্ধিৰ লগতে বিভাগক বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা বৈঠকত পি এম কিষাণ আঁচনিৰ অধীনত সৰ্বাধিক সংখ্যক যোগ্য কৃষকক অন্তৰ্ভুক্ত কৰা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰা, কৃষক উৎপাদন কোম্পানীসমূহক সহায় সাহায্য আগবঢ়োৱাৰ বিষয়ে আলোচনা কৰা হয়। দুয়োখন বৈঠকত সংশ্লিষ্ট বিভাগ দুটাৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০

স্বচ্ছ আৰু নাগৰিককেন্দ্ৰিক শাসনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা সু-শাসন সপ্তাহৰ অংশ হিচাপে লখিমপুৰত অহা ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সু-শাসন সপ্তাহৰ জৰিয়তে ৰাজহুৱা অভিযোগসমূহৰ সমাধান কৰিবলৈ জিলাখনৰ সকলো বিভাগীয় কাৰ্যালয়ৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে নাগৰিকসকলৰ অমীমাংসিত

আবেদনসমূহ শীঘ্ৰেই নিষ্পত্তি কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিয়া হৈছে। জিলাখনত অহা ২৩ ডিচেম্বৰত বিভিন্ন বিভাগে গ্ৰহণ কৰা উদ্ভাৱনীমূলক পদক্ষেপসমূহ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

০০০০

নগাঁও জিলাৰ কলিয়াবৰ-চামগুৰি জলসিঞ্চন সংমণ্ডলৰ অধীনত দীৰ্ঘদিন ধৰি বিকল হৈ থকা তিনিটা জলসিঞ্চন প্ৰকল্পৰ পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জলসিঞ্চন বিভাগে কলিয়াবৰৰ বৰভগীয়াৰ সৌৰশক্তিচালিত জলসিঞ্চন প্ৰকল্পৰ লগতে কুঠৰীৰ গোহাঁই গাঁৱত থকা দ্বাৰবাগৰী গভীৰ নলী-নাদৰ দুটাকৈ সংযোগ ব্যৱস্থা পুনৰ কাৰ্যক্ষম কৰি তোলে। পূৰ্বে ডিজেলচালিত এই গভীৰ নলী-নাদৰ ব্যৱস্থাত নতুনকৈ বিদ্যুৎচালিত কৰি কাৰ্যক্ষম কৰি তোলা হৈছে। ইয়াৰ জৰিয়তে জিলাখনৰ প্ৰায় ১০ হেক্টৰ কৃষিভূমিত পানীযোগান ব্যৱস্থা কাৰ্যকৰী হৈ উঠিছে।

০০০০

নগাঁও চহৰৰ নেহৰুবালিত আজিৰে পৰা নগাঁও গ্ৰন্থমেলা আৰম্ভ হৈছে। বিশিষ্ট সাহিত্যিক অৰূপ কুমাৰ দত্তই উদ্বোধন কৰা গ্ৰন্থমেলাখনৰ উদ্বোধনী অনুষ্ঠানত সাহিত্যিক তিলক মজুমদাৰ, শিৱানন্দ কাকতি, ৰাজ্যৰ মুখ্য তথ্য আয়ুক্ত তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অহা ২৫ ডিচেম্বৰত এই গ্ৰন্থমেলাৰ সামৰণি পৰিব।

০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক নাট মহোৎসৱৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত বিভিন্ন ৰাভা লোককৃষ্টি প্ৰদৰ্শন আৰু বাদুংদুপ্পাৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি কাৰ্যসূচী হিচাপে এখন মুকলি সভা অনুষ্ঠিত হয়। এই নাট মহোৎসৱত দেশৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নাট্যপ্ৰেমীৰ সমাগম হয়। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি সম্পূৰ্ণ ব্যতিক্ৰমীভাৱে এই নাট মহোৎসৱৰ আয়োজন কৰি আহিছে।

০০০০

২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্যৰ যোগ্য সমবায় সমিতিসমূহে আৰ্থিক সাহায্যৰ আবেদন দাখিলৰ সময়সীমা অহা ২০ ডিচেম্বৰত অন্ত পৰিব। হিতাধিকাৰী অসম সমবায় সমিতি আইন ২০০৭ৰ অধীনত পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। সমবায় সমিতিসমূহৰ ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ যথা বিধি পৰীক্ষণ হোৱাটো বাঞ্চনীয়। তদুপৰি বিগত ৩ বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিসমূহকহে এই সাহায্যৰ বাবে যোগ্য বিবেচনা কৰা হ'ব। সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ লগতে ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহে www.farcs.assam.gov.in-ৰ জৰিয়তে এই আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বঙাইগাওঁৰ কাকৈজানা সংৰক্ষিত বনাঞ্চল পৰিদৰ্শন কৰে। এই বনাঞ্চলখনত বিগত বছৰত ৯ টা আৰু চলিত বছৰত ৭ টা সোণালী বান্দৰ দুৰ্ঘটনাগ্ৰস্থ হৈ মৃত্যু হোৱা বিষয়টো লৈ মন্ত্ৰী শ্ৰীদাসে দুখ প্ৰকাশ কৰে। প্ৰায় ৪০০ সোণালী বান্দৰ থকা বঙাইগাওঁ জিলাৰ কদমতলা আৰু ৰাভাপাৰা অঞ্চলৰ ৰাইজে এই বান্দৰৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে যথেষ্ট কষ্ট কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে কিছু নতুনত্ব অনাৰ বিষয়ে ভবাৰ থল আছে বুলি কয়। তেওঁ লগতে কয়, যে সোণালী বান্দৰবোৰ কাকৈজানা গাওঁৰ পৰা পাহাৰ অভিমুখে পঠিয়াব পাৰিলে এই জীৱকুল ৰক্ষা পৰিব। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ লগত জিলা আয়ুক্ত নৱদীপ পাঠককে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত আছিল।

০০০০

ব্ৰিছবেন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতে ফ'ল' অনৰ পৰা হাত সাৰিবলৈ সমৰ্থ হৈছে। গাবাত অনুষ্ঠিত তৃতীয় টেষ্টৰ আজি চতুৰ্থ দিনৰ সামৰণিত ভাৰতে প্ৰথম ইনিংছত ৯টা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ কৰে। ফ'ল' অনৰ পৰা হাত সাৰিবলৈ ভাৰতক ২৪৬ ৰান প্ৰয়োজন আছিল। দিনান্তত যশপ্ৰীত বুমৰাই ১০ আৰু আকাশ দীপে ২৭ ৰান কৰি বেট ধৰি আছে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বোচ্চ ৮৪ ৰান সংগ্ৰহ কৰে। ৰবীন্দ্ৰ জাদেজাই দৃঢ়তাৰে খেলি ৭৭ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ মিছেল ষ্টাৰ্কে ৩ টা আৰু পেট কামিন্সে ৪ টা উইকেট দখল কৰে। ভাৰত এতিয়া প্ৰথম ইনিংছৰ এটা উইকেট হাতত থকা অৱস্থাত অষ্ট্ৰেলিয়াতকৈ ১৯৩ ৰানত পিছ পৰি আছে। কাইলৈ খেলখনৰ অন্তিম দিন।

০০০০

সমাপ্ত